# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 15-03-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

অসমৰ বিকাশ আৰু আন্তঃগাঁথনি উন্নত কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে ৰাজ্যখনত ৩ লাখ কোটি টকাৰ প্ৰকল্পৰ কাম কৰিব। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি দেৰগাঁৱত ১৬৭ কোটি ৪০ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা লাচিত বৰফুকন পুলিচ একাডেমী মুকলি কৰি এই কথা ঘোষণা কৰে। তেওঁ লগতে ৪২৫ কোটি ৪৮ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া লাচিত বৰফুকন পুলিচ একাডেমীৰ আৱাসগৃহ প্ৰকল্পৰ আধাৰশিলাও স্থাপন কৰে। শ্ৰীশ্বাহে দেৰগাঁৱত এখন বিশাল জনসভাতো ভাষণ দিয়ে। ভাষণত কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয় যে অহা পাঁচ বছৰত লাচিত বৰফুকন পুলিচ একাডেমী দেশৰ ভিতৰতে প্ৰথম স্থানৰ একাডেমী হিচাপে পৰিগণিত হ'ব। লাচিত বৰফুকনৰ দৰে জাতীয় বীৰৰ বিষয়ে ইমান দিনে সকলোৱে জনা নাছিল বুলি উল্লেখ কৰি তেওঁ কয় যে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এতিয়া লাচিত বৰফুকনক ৰাষ্ট্ৰীয় পৰ্যায়ত চিনাকি কৰি দিছে। লাচিত বৰফুকনৰ জীৱনী ২৩টা ভাষালৈ অনুবাদ হৈছে বুলি উল্লেখ কৰি শ্ৰীশ্বাহে কয় যে দেশৰ সকলো পুথিভঁৰালত এতিয়া লাচিত বৰফুকনৰ জীৱনী গ্ৰন্থ আছে। ছেমি কণ্ডাক্টৰ প্ৰকল্পই ৰাজ্যখনৰ ছবি সলনি কৰিব বুলি প্ৰকাশ কৰি শ্ৰীশ্বাহে কয়, যে কৰ্মসংস্থাপন বিচাৰি অনাগত সময়ত বহিঃৰাজ্যৰ পৰা অসমলৈ যুৱক-যুৱতীৰ সোঁত ব'ব। এসময়ত সন্ত্ৰাসজৰ্জৰ পৰিৱেশে বিৰাজ কৰা ৰাজ্যখন বৰ্তমান প্ৰগতিৰ পথত আগবাঢ়িছে বুলি তেওঁ উল্লেখ কৰে।

আজিৰ অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকে। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজিৰ দিনটোক অসম আৰক্ষীৰ বাবে সোণালী দিন বুলি অভিহিত কৰি কয়, যে লাচিত বৰফুকন পুলিচ একাডেমীত এখন আৰক্ষী চিকিৎসা মহাবিদ্যালয় স্থাপন কৰা হ'ব আৰু ইয়াৰ জৰিয়তে আৰক্ষীৰ লগতে সাধাৰণ ৰাইজেও উপকৃত হ'ব। ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ নিৰৱচ্ছিন্ন প্ৰয়াসৰ ফলত আইন শৃংখলাৰ দিশত আজিৰ অসমে নতুন দিশলৈ গতি কৰিছে বুলি তেওঁ কয়।

অনুষ্ঠানৰ পাছতে গৃহমন্ত্ৰীগৰাকীয়ে বিমানযোগে আইজললৈ যাত্ৰা কৰে। তাত তেওঁ দেশৰ আটাইতকৈ পুৰণি অৰ্ধসামৰিক বাহিনী আছাম ৰাইফলছৰ প্ৰায় ডেৰশ বছৰ পুৰণি ছাউনীটো আইজল নগৰৰ পৰা প্ৰায় ১৫ কিলোমিটাৰ নিলগৰ জোখ'ছাঙলৈ স্থানান্তৰ কৰা অনুষ্ঠানত ভাগ ল'ব। আছাম ৰাইফলছৰ ছাউনীটো জোখ'ছাঙলৈ স্থানান্তৰ কৰাৰ পৰিপ্ৰেক্ষিতত মিজো লোকসকলৰ দীৰ্ঘদিনীয়া আশা পূৰণ হ'ব। সেয়েহে গৃহমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণ অতি গুৰুত্বপূৰ্ণ আৰু ঐতিহাসিক বুলি বিবেচনা কৰা হৈছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকী কাইলৈ গুৱাহাটীলৈ উভতি আহিব আৰু কোকৰাঝাৰৰ দোতমাত নিখিল বড়ো ছাত্ৰ সন্থাৰ ৫৭ সংখ্যক বাৰ্ষিক অধিৱেশনত অংশগ্ৰহণ কৰিব। নতুন দিল্লীলৈ উভতি যোৱাৰ পূৰ্বে তেওঁ

গুৱাহাটীৰ হোটেল ৰেডিশ্বন ব্লুত ভাৰতীয় ন্যায় সংহিতাৰ ৰূপায়ণ সন্দৰ্ভত উত্তৰ-পূৰ্বাঞ্চলৰ আঠোখন ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ সৈতে বৈঠকত মিলিত হ'ব।

০০০০০

ৰাজ্যৰ বিভিন্ন স্থানত আজিও পৰম্পৰাগত ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে ফাকুৱা আৰু দৌল উৎসৱ উদ্‌যাপন পালন কৰা হৈছে। দৌল মহোৎসৱ উপলক্ষে বৰপেটাৰ পাটবাউসী, গনককুছি, সুন্দৰীদিয়া আৰু বাৰাদি সত্ৰত ভক্তৰ ভিৰ পৰিলক্ষিত হৈছে। কৃষ্ণ বন্দনা আৰু হোলী গীতেৰে বৰপেটাৰ আকাশ-বতাহ মুখৰ হৈ উঠিছে।  বৰপেটা সত্ৰত শ্ৰীশ্ৰী কৃষ্ণৰ দৌল মহোৎসৱত অংশ লোৱাৰ লগতে গোসাঁইক সেৱা জনাই আশীৰ্বাদ ল'বলৈ বিভিন্ন প্ৰান্তৰ পৰা ভক্তসকলৰ আগমন ঘটিছে।

মাজুলীৰ ঐতিহাসিক দক্ষিণপাট সত্ৰ, গড়মূৰ সত্ৰ, বেঙেনাআটী সত্ৰ, চামগুৰি সত্ৰকে ধৰি কেইবাখনো সত্ৰত পৰম্পৰা অনুসৰি  ফল্গুৎসৱ উদযাপন কৰা হয়। বেঙেনাআটি আৰু চামগুৰি সত্ৰত এই মহোৎসৱ ৪ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত  হৈছে। চামগুৰি সত্ৰৰ আজি তৃতীয় দিনৰ কাৰ্যসূচীত নাম-কীৰ্তন, গোসাই ফুৰোৱাৰ অন্তত সন্ধিয়া ভাওনা আয়োজন কৰা হৈছে। কাইলৈ ফাকুৱা ফুৰোৱাৰ পাছত সন্ধ্যালৈ এই উৎসৱৰ সামৰণি পৰিব।

উত্তৰ গুৱাহাটীৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীদৌল গোবিন্দ মন্দিৰত আধ্যাত্মিক পৰম্পৰা আৰু ৰীতি-নীতিৰে দৌল উৎসৱ পালন কৰা হয়।

গুৱাহাটী মহানগৰীতো দৌল উৎসৱ আৰু ফাকুৱা উপলক্ষে উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। ফাকুৱা উপলক্ষে কামৰূপ মহানগৰ জিলাকে ধৰি প্ৰায়বোৰ জিলাতে আজি স্থানীয় বন্ধ ঘোষণা কৰা হৈছে। বাক্সা জিলাৰ জলাহৰ শ্ৰীশ্ৰীবুঢ়াগোহাই কীৰ্তন ঘৰত  দৌল মহোৎসৱৰ আজি সামৰণি পৰিব। অন্তিম দিনৰ কাৰ্যসূচীৰ অন্ত হিচাপে বিয়লি গোসাইক উৎসৱস্থলীৰ পৰা পথাৰলৈ লৈ অনা হয়। গোসাইক কীৰ্তন ঘৰৰ চাৰিওফালে ৭ বাৰ প্ৰদক্ষিণ কৰাৰ অন্তত গৃহ প্ৰৱেশৰ নাম মঞ্চস্থ কৰা হয়। ইয়াৰ পাছত শ্ৰীকৃষ্ণই গৃহপ্ৰৱেশৰ প্ৰাকক্ষণত বা ভঙা কাৰ্যসূচী অনুষ্ঠিত হয়। সন্ধিয়া নাগাৰা নামৰ কাৰ্যসূচীৰে ৩ দিনীয়াকৈ আয়োজিত দৌল মহোৎসৱৰ সামৰণি পৰে।

শোণিতপুৰৰ বালিপাৰাৰ এৰাগাঁৱৰ শ্ৰীশ্ৰীকমলাবাৰী শাখা সত্ৰতো দৌল উৎসৱৰ সৈতে সংগতি ৰাখি গোসাই ফুৰোৱা কাৰ্যসূচী অনুষ্ঠিত হয়। ভক্তসকলে নাম প্ৰসংগৰে নামঘৰৰ পৰা গোসাইক উলিয়াই  সত্ৰৰ পৰা বালিপাৰা চেণ্টাৰলৈ পৰিভ্ৰমণ কৰে। ০০০০

০০০০০

লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱাই আজি চিচিবৰগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত চিচিবৰগাঁও উন্নয়ন খণ্ডত নিৰ্মাণ সম্পূৰ্ণ হৈ উঠা কেইবাখনো আঁচনিৰ শুভ উদ্বোধন কৰাৰ লগতে নিৰ্মাণ হ'বলগীয়া আন কেইবাখনো আঁচনিৰ আধাৰশিলা স্থাপন কৰে। চিচিবৰগাঁও মজলীয়া বিদ্যালয়ৰ খেলপথাৰত আয়োজিত কাৰ্যসূচীত জোনাইৰ বিধায়ক ভূবন পেগুৰ সৈতে সাংসদগৰাকীয়ে সমষ্টিটোত নতুনকৈ নিৰ্মাণ কৰা ৭টা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ আৰু এটা ১ কিলোমিটাৰ দৈৰ্ঘ্যৰ পকীপথ উদ্বোধন কৰে। সাংসদ শ্ৰীবৰুৱাই চিচিবৰগাঁও মজলীয়া বিদ্যালয়, চিচিবৰগাঁও শংকৰদেৱ শিশু নিকেতন, চিচিবৰগাঁও কৃষ্টি ভৱন আৰু চোমনি গাঁৱৰ বৰনামঘৰ নিৰ্মাণ আঁচনিকেইখনৰো আধাৰশিলা স্থাপন কৰে।

০০০০০

সমাপ্ত